

## নজৰুল ইছলামে ক'লে

# বৃদ্ধি কৰা হ'ব প্ৰ-পত্ৰ পূৰণৰ সময়সীমা

প্ৰতিদিন সংবাদ, গুৱাহাটী, ১২ জুলাই ঃ ৰাষ্ট্ৰীয় নাগৰিকপঞ্জী (এন আৰ চি) উন্নীতকৰণৰ বিষয়টোক লৈ মুখ্যমন্ত্ৰী তৰুণ গগৈ ■ ১০ পৃষ্ঠাত

# বৃদ্ধি কৰা হ'ব প্ৰ-পত্ৰ পূৰণৰ সময়সীমা

■ *প্ৰথম পৃষ্ঠাৰ পৰা* নেতৃত্বাধীন চৰকাৰখনৰ ৰাজনীতি অব্যাহত আছে। যি সময়ত এন আৰ চি উন্নীতকৰণৰ নামত কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰৰ কৰণীয় একো নাই বুলি কেন্দ্ৰীয় গৃহ মন্ত্ৰী ৰাজনাথ সিঙে ঘোষণা কৰিছে সেই সময়ত স্বাস্থ্য বিভাগৰ দায়িত্বত থকা মন্ত্ৰী ডাঃ নজৰুল ইছলামে ঘোষণা কৰিছে যে নাগৰিকপঞ্জীৰ প্ৰ-পত্ৰ পূৰণৰ সময়সীমা পুনৰ বৃদ্ধি কৰা হ'ব। তেওঁ আনকি এনেদৰে কয় যে বৰ্তমানলৈকে ৰাজ্যৰ ৩০ শতাংশ লোকে প্ৰ-পত্ৰ পূৰণ কৰি জমা দিব পৰা নাই। চৰকাৰৰ দায়িত্বহীন মন্ত্ৰী এজনে আগবঢ়োৱা এনে মন্তব্যই স্বাভাৱিকতে ৰাজ্যত প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। মন কৰিবলগীয়া যে ৰাজ্যত এন আৰ চি উন্নীতকৰণৰ কাম উচ্চতম ন্যায়ালয়ৰ নিৰ্দেশমৰ্মে কৰি থকা হৈছে। এই কাম কৰিছে ভাৰতৰ মহাপঞ্জীয়কে। গতিকে এন আৰ চি উন্নীতকৰণৰ কামত কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰৰ কৰণীয় একো নাই বুলি কেন্দ্ৰীয় গৃহ মন্ত্ৰী ৰাজনাথ সিঙে কালি গুৱাহাটীত স্পষ্টভাৱে ঘোষণা কৰি গৈছে। কিন্তু ইয়াৰ পিচতো ৰাজ্য চৰকাৰে বিষয়টোক লৈ ৰাইজৰ মাজত বিভ্ৰান্তি সৃষ্টি কৰাৰ বাবে অহৰহ চেষ্টা অব্যাহত ৰাখিছে। এনে প্ৰচেষ্টাৰ অংশ হিচাপে আজি স্বাস্থ্য বিভাগৰ মন্ত্ৰী ডাঃ নজৰুল ইছলামে এই মন্তব্য আগবঢ়ায়। গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ত আজি চাফাই অভিযানৰ বাবে যোৱা স্বাস্থ্য মন্ত্ৰীজনে আজি সাংবাদিকৰ আগত কয় যে এন আৰ চিৰ প্ৰ-পত্ৰ পূৰণৰ সময়সীমা পুনৰ বৃদ্ধি কৰা হ'ব পাৰে। ইয়াৰ সমৰ্থনতে তেওঁ কয় যে বৰ্তমান প্ৰক্ৰিয়াত অহা ৩১ জুলাইৰ ভিতৰত প্ৰ-পত্ৰ পূৰণ কৰাটো সম্ভৱপৰ নহয়। এতিয়ালৈকে ৩০ শতাংশ লোকে প্ৰ-পত্ৰ পূৰণ কৰি জমা দিব পৰা নাই বুলিও তেওঁ মন্তব্য কৰে। এইখিনিতে উল্লেখ কৰিব পাৰি যে এন আৰ চি উন্নীতকৰণৰ কাম ২০১৬ চনৰ জানুৱাৰী মাহৰ ভিতৰত সম্পূৰ্ণ কৰিবলৈ উচ্চম ন্যায়ালয়ে সময়সীমা বান্ধি দিছে। এই সময়সীমাৰ প্ৰতি লক্ষ্য ৰাখি সকলোখিনি কাম কৰি থকা হৈছে। কিন্তু ইয়াৰ মাজতো চৰকাৰে প্ৰ-পত্ৰ পূৰণৰ সময়সীমা যোৱা ৩১ মে'ৰ পৰা ৩১ জুলাইলৈ বৃদ্ধি কৰিছিল। এতিয়া ৰাজ্য চৰকাৰে এই সময়সীমা পুনৰ বৃদ্ধিৰ কথা উল্লেখ কৰিছে। সেয়া কৰিলে সমগ্ৰ প্ৰক্ৰিয়াটো পুনৰ পিচুৱাই যোৱাটো নিশ্চিত।

## নাগৰিকপঞ্জী ঃ শোণিতপুৰৰ ঠেলামৰাত বিদেশীৰ তৎপৰতা

# এন আৰ চিত নাম অন্তৰ্ভুক্তিৰ চেষ্টা একুৰি পলাতক বাংলাদেশীৰ

### আৰক্ষী-প্ৰশাসনৰ নিৰ্লিপ্ততাত উদ্বিগ্ন ৰাইজ

প্ৰতিদিন বিশেষ সেৱা, তেজপুৰ, ১২ জুলাই ঃ অবৈধ বিদেশীৰ নাম ৰাষ্ট্ৰীয় নাগৰিকপঞ্জী (এন আৰ চি)ত অন্তৰ্ভুক্ত কৰিবলৈ তৰুণ গগৈ নেতৃত্বাধীন চৰকাৰে গভীৰ ষড়যন্ত্ৰ চলোৱাৰ সময়তে শোণিতপুৰ জিলাত একাংশ বাংলাদেশীয়ে এন আৰ চিত নাম সন্নিবিষ্ট কৰিবলৈ চেষ্টা চলোৱাৰ ঘটনা পোহৰলৈ আহিছে। শোণিতপুৰত মাথোঁ দুবছৰ পূৰ্বে বাংলাদেশৰ পৰা অবৈধভাৱে প্ৰৱেশ কৰি সম্প্ৰতি ■ ১০ পৃষ্ঠাত

# এন আৰ চিত নাম অন্তৰ্ভুক্তিৰ চেষ্টা একুৰি পলাতক বাংলাদেশীৰ

■ *প্ৰথম পৃষ্ঠাৰ পৰা* পলাতক অৱস্থাত থকা এই লোকসকলে এন আৰ চিত নাম অন্তৰ্ভুক্তিৰ বাবে চেষ্টা চলোৱা ঘটনাই জিলাখনত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। এই ঘটনা সংঘটিত হৈছে শোণিতপুৰ জিলাৰ ঠেলামৰা আৰক্ষী চকীৰ অন্তৰ্গত ৰোহিণী বিল গাঁও অঞ্চলত। উল্লেখ্য যে ১৯৭০ চনৰ ১৪ আগষ্টত লিয়াকৎ-নেহৰু চুক্তিৰ আধাৰত তেজপুৰৰ সমীপৱৰ্তী ঠেলামৰা থানাৰ অন্তৰ্গত ৰোহিণী বিল গাঁৱৰ ইমান আলীৰ সৈতে তদানীন্তন পূব পাকিস্তানৰ মৈমন সিং জিলাৰ তৰণীকান্ত মণ্ডল, গুণাৰাম মণ্ডল, চান মোহন মণ্ডল আদিকে ধৰি মুঠ ছটা হিন্দু পৰিয়ালৰ ভূমি হস্তান্তৰ প্ৰক্ৰিয়া সম্পন্ন হৈছিল। সেইমৰ্মে ইমান আলীয়ে সপৰিয়ালে বাংলাদেশলৈ যোৱাৰ বিপৰীতে উক্ত মণ্ডল পৰিয়াল ছটাই ৰোহিণী বিলত থাকিবলৈ লয়। কিন্তু সুদীৰ্ঘ ৪২ বছৰৰ পিচত ২০১২ চনত অবৈধভাৱে অসমত প্ৰৱেশ কৰা বাংলাদেশী নাগৰিক ইমান আলীৰ পৰিয়ালবৰ্গৰ লগতে আন একাংশ বিদেশী অবৈধভাৱে ৰোহিণী বিল গাঁৱত উপস্থিত হোৱাই নহয়, উল্লিখিত মণ্ডল পৰিয়ালৰ লোকক ভাবুকি দি তেওঁলোকৰ মাটি বেদখল কৰি তাত ঘৰ সাজি থাকিবলৈ লয়। উক্ত ঘটনা সন্দৰ্ভত মণ্ডল পৰিয়ালবৰ্গই বিগত বৰ্ষৰ নৱেম্বৰ মাহত ঠেলামৰা আৰক্ষী চকীত এখন এজাহাৰো দাখিল কৰে। অভিযোগ অনুসৰি বিগত বৰ্ষত ঠেলামৰা আৰক্ষীয়ে কোনো তদন্ত নকৰি এই একুৰিৰো অধিক বাংলাদেশী নাগৰিকক পলাতক বুলি ঘোষণাৰে নথিত সামৰে। তৰুণ গগৈ চৰকাৰৰ বাংলাদেশী প্ৰীতি আৰু শোণিতপুৰ আৰক্ষীৰ নিৰ্লিপ্ত ভূমিকাৰ পূৰ্ণ সুযোগ গ্ৰহণ কৰি ইমান আলীৰ পৰিয়ালসহ একুৰিৰো অধিক বাংলাদেশীয়ে সম্প্ৰতি উক্ত ৰোহিণী বিল গাঁৱৰ ঠিকনাৰে এন আৰ চিত নাম সন্নিবিষ্ট কৰাৰ প্ৰচেষ্টা চলোৱা বুলি জানিব পৰা গৈছে। অঞ্চলটোৰ একাংশ থলুৱা লোকে জানিবলৈ দিয়া অনুসৰি, ১৯৫১ চনৰ এন আৰ চিত ইমান আলীৰ নাম সন্নিবিষ্ট আছিল আৰু ১৯৭০ চনত পূব পাকিস্তানলৈ যোৱাৰ পিচতো ১৯৭১ চনৰ ভোটাৰ তালিকাত ইমানৰ নাম সন্নিবিষ্ট আছিল। ইয়াৰে অচিলা লৈ দুবছৰ পূৰ্বে বাংলাদেশৰ পৰা অবৈধভাৱে অসমত প্ৰৱেশ কৰা ইমানৰ পৰিয়ালবৰ্গই বৰ্তমান এন আৰ চিত নাম সন্নিবিষ্ট কৰাৰ চেষ্টা চলাইছে আৰু ইয়াকে লৈ অঞ্চলটোত প্ৰতিক্ৰিয়া অব্যাহত আছে। এই প্ৰতিক্ৰিয়া স্বৰূপে কিছুদিন পূৰ্বে অঞ্চলটোৰ এন আৰ চি সেৱা কেন্দ্ৰত প্ৰপত্ৰ জমা দিবলৈ অহা বাংলাদেশী নাগৰিককেইজনক ৰাইজে বাধা আৰোপ কৰিছিল। ৰাজ্যখনৰ বিভিন্ন প্ৰান্তত অনুৰূপ ঘটনা সংঘটিত হোৱাৰ আশংকা প্ৰকাশ কৰা স্থানীয় ৰাইজে এন আৰ চি প্ৰস্তুতকৰণত চলা ভেঁকোভাওনা উদঙাই দিয়াৰ সমান্তৰালভাৱে দুবছৰ পূৰ্বে বাংলাদেশৰ পৰা আহি ৰোহিণী বিল গাঁও অঞ্চলৰ ভূমি বেদখল কৰি সম্প্ৰতি ঠেলামৰা অঞ্চলতে চৰকাৰী নথিমতে পলাতক অৱস্থাত থকা ইমানৰ পৰিয়ালবৰ্গৰ বিৰুদ্ধে গগৈ চৰকাৰৰ আৰক্ষী-প্ৰশাসনে কি ব্যৱস্থা গ্ৰহণ কৰে সেয়া লক্ষণীয় হ'ব।